**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-03-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১।	ভাৰতীয় জনতা পাৰ্টীয়ে আজি ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ ইস্তাহাৰ প্ৰকাশ কৰে।

২।	দেশত বিশ্বৰ সৰ্ববৃহৎ লোকপিয়ল শীঘ্ৰেই অনুষ্ঠিত হ'ব। এই লোকপিয়লৰ প্ৰথম পৰ্য্যায় কাইলৈ আৰম্ভ হ'ব।

৩।	চৰকাৰে দেশজুৰি পি এন জিৰ সংযোগ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই অভিযান অহা ৩০ জুনলৈ সম্প্ৰসাৰিত কৰিছে।

৪।	কেন্দ্ৰীয় চৰকাৰে বিভিন্ন মন্ত্ৰ্যালয় আৰু বিভাগত নতুন সচিবক নিযুক্তি প্ৰদান কৰিছে।

*আৰু*

৫।	ঝাৰখণ্ডৰ ৰাঁচীত কাইলৈ যোড়শ হকী ইণ্ডিয়া ছাৰ জুনিয়ৰ মহিলাৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ-২০২৬ অনুষ্ঠিত হ'ব।

ooooo

ভাৰতীয় জনতা পাৰ্টীয়ে

ooooo

দেশত বিশ্বৰ সৰ্ববৃহৎ লোকপিয়ল শীঘ্ৰেই অনুষ্ঠিত হ'ব। দুটা পৰ্য্যায়ত হ'বলগীয়া এই লোকপিয়লৰ প্ৰথম পৰ্য্যায় কাইলৈ আৰম্ভ হ'ব। প্ৰথমবাৰৰ বাবে এইবেলি ডিজিটেলী লোকপিয়ল কৰা হ'ব। নাগৰিকসকলে এইবেলি নিজেও নিজৰ তথ্যসমূহ অনলাইন দাখিল কৰিব পাৰিব। ভাৰতৰ মহা-পঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্ত মৃত্যুঞ্জয় কুমাৰ নাৰায়ণে ডিজিটেল লোকপিয়লৰ ইতিবাচক দিশসমূহ সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে এইবেলি লোকপিয়লত প্ৰব্ৰজনকাৰীসকলে নিজৰ তথ্য দাখিল কৰাৰ প্ৰক্ৰিয়া সন্দৰ্ভতো মত প্ৰকাশ কৰে।

ooooo

চৰকাৰে দেশজুৰি পি এন জিৰ সংযোগ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই অভিযানৰ দ্বিতীয় পৰ্য্যায় অহা ৩০ জুনলৈ সম্প্ৰসাৰিত কৰিছে। তদুপৰি মহানগৰসমূহৰ গেছ বিতৰকসকলক ঘৰুৱা পি এন জি সংযোগ ব্যৱস্থা অধিক দ্ৰুত কৰি তুলিবলৈ নিৰ্দেশ দিয়া হৈছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি, মাৰ্চ মাহত ঘৰুৱা তথা বাণিজ্যিক সংযোগকে ধৰি ৩ লাখতকৈও অধিক

সংযোগ কাৰ্য্যক্ষম কৰি তোলা হৈছে। অতিৰিক্তকৈ ২ লাখ ৭০ হাজাৰতকৈও অধিক সংযোগ কাৰ্য্যক্ষম কৰা হৈছে। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি, পহিলা মাৰ্চৰ পৰা দৈনিক গড়ে ৫০ লাখতকৈও অধিক ঘৰুৱা এল পি জি চিলিণ্ডাৰ বিতৰণ কৰা হৈছে। চৰকাৰে দেশত পেট্ৰ'ল, ডিজেল, এল পি জি আৰু পি এন জি যথেষ্ট পৰিমাণে মজুত আছে বুলিও নিশ্চিত কৰিছে। এই সন্দৰ্ভত শেহতীয়াকৈ বিয়পি পৰা উৰা বাতৰি নস্যাৎ কৰি চৰকাৰে সংবাদমেলৰ জৰিয়তে কেইবাবাৰো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত সঠিক তথ্য প্ৰকাশ কৰাৰ বাবে আহ্বান জনাইছে। বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰ্যালয়ে সংঘৰ্ষজৰ্জৰ অঞ্চলত সকলো ভাৰতীয় জাহাজ সুৰক্ষিত হৈ আছে বুলি প্ৰকাশ কৰি কয়, যে বিগত ২৪ ঘণ্টাত ভাৰতীয় জাহাজ সন্দৰ্ভত কোনো নেতিবাচক তথ্য অহা নাই। বিগত ২৪ ঘণ্টাত ৯ খন ভাৰতীয় জাহাজকে ধৰি এতিয়ালৈ ৯৫৯ খনতকৈও অধিক ভাৰতীয় জাহাজ নিৰাপদে সংশ্লিষ্ট অঞ্চলসমূহ পাৰ হৈ অহা বুলিও মন্ত্ৰ্যালয়ে সদৰী কৰে। দেশৰ বন্দৰসমূহত সকলো কাম-কাজ স্বাভাৱিকভাৱে অব্যাহত আছে বুলিও মন্ত্ৰ্যালয়ে সদৰী কৰে। আনহাতে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি, ২৮ ফেব্ৰুৱাৰীৰ পৰা ৫ লাখ ৭২ হাজাৰ যাত্ৰী সুকলমে দেশলৈ উভতি আহিছে।

00000

কেন্দ্ৰীয় চৰকাৰে আজি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নতুন সচিবক নিযুক্তি প্ৰদান কৰে । **১৯৯২** বৰ্ষৰ বিহাৰ কেডাৰৰ আই এ এছ বিষয়া চাঞ্চল কুমাৰক মন্ত্ৰালয়ৰ সচিব তথ্য আৰু সম্প্ৰচাৰ হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ বৰ্তমানৰ সচিব সঞ্জয় জাজুক উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন মন্ত্ৰালয়ৰ , ভুৱনেশ কুমাৰক পৰ্যটন সচিব , শ্ৰীবাৎচা কৃষ্ণক সংখ্যালঘু পৰিক্ৰমাৰ মন্ত্ৰালয়ৰ আৰু আনহাতে ৰোহিত কানছালক গ্ৰামোন্নয়ন বিভাগৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে।

00000

ভাৰতীয় বায়ুসেনাৰ বাবে দুখন মাউণ্টেন ৰাডাৰ ক্ৰয়ৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ে আজি নতুন দিল্লীত ভাৰত ইলেক্ট্ৰনিকছ লিমিটেডৰ সৈতে এক হাজাৰ ৯৫০ কোটি টকাৰ চুক্তি স্বাক্ষৰ কৰে । তথ্য অনুসৰি এই ক্ৰয় থলুৱা ভাৱে বিকশিত আৰু নিৰ্মাণ খণ্ডৰ অধীনত কৰা হৈছে আৰু স্বাক্ষৰিত এই চুক্তি চৰকাৰৰ আত্মনিৰ্ভৰ ভাৰত আৰু মেক ইন ইণ্ডিয়াৰ পদক্ষেপৰ সৈতে সাদৃশ্য আছে। ৰাডাৰ সমূহ প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ অধীনস্থ ইলেক্ট্ৰনিকছ এণ্ড ৰাডাৰ ডেভেলপমেণ্ট এষ্টাব্লিছমেণ্টে শৈলী প্ৰস্তুত আৰু বিকাশ কৰি তুলিব আৰু BELৰ দ্বাৰাই এইসমূহ নিৰ্মাণ কৰা হ'ব।

মন্ত্ৰালয়ৰ মতে, এই ব্যৱস্থাসমূহে বিমান প্ৰতিৰক্ষা ক্ষমতা বৃদ্ধি, ৰাষ্ট্ৰীয় নিৰাপত্তা শক্তিশালী কৰাৰ উপৰিও আৰু বিদেশী সঁজুলিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব।

০০০০০

পুডুচেৰীত নিৰ্বাচন আয়োগে আসন্ন বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনী আচৰণ-বিধিৰ সৈতে সংগতি ৰাখি নিৰ্বাচনৰ ইস্তাহাৰ সন্দৰ্ভত সবিশেষ সন্নিৱিষ্ট কৰি নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি, ৰাজনৈতিক দলসমূহে ইস্তাহাৰ মুকলি কৰাৰ তিনি দিনৰ ভিতৰত মুখ্য নিৰ্বাচনী বিষয়াক নিৰ্বাচনী ইস্তাহাৰৰ তিনিটা প্ৰতিলিপি জমা দিব লাগিব। আঞ্চলিক ভাষাত প্ৰকাশিত ইস্তাহাৰসমূহৰ ইংৰাজী অনুবাদো জমা দিয়াটো বাধ্যতামূলক কৰা হৈছে। আয়োগৰ নিৰ্দেশনা অনুসৰি, ইস্তাহাৰত উল্লেখ থকা আঁচনি তথা প্ৰতিশ্ৰুতিসমূহৰ নিৰ্বাচনী আচৰণবিধিৰ সৈতে সংগতি থকা বুলি দলসমূহে ঘোষণাপত্ৰ জমা দিব লাগিব। সমগ্ৰ প্ৰক্ৰিয়াত স্বচ্ছতা আৰু বিশ্বাসযোগ্যতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে দলসমূহক প্ৰতিশ্ৰুতিসমূহৰ অন্তৰালৰ ভেঁটি, প্ৰয়োজনীয় বিত্তীয় সম্পদ তথা ৰূপায়ণৰ পৰিকল্পনাসমূহ স্পষ্টকৈ প্ৰকাশ কৰাৰ পৰামৰ্শ দিয়া হৈছে।

০০০০০

পাকিস্তানৰ কৰাচীত কেইবাটাও খ্ৰীষ্টান সংস্থা আৰু বহু মানৱ অধিকাৰ কৰ্মীয়ে নাবালিকাসকলৰ নিৰাপত্তা সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰি প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰে। তেওঁলোকে বলপূৰ্বক বিবাহ তথা ধমান্তৰকৰণ সম্পৰ্কীয় ঘটনা সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰে। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, নেচনেল খ্ৰীষ্টিয়ান পাৰ্টী আৰু গৰাহী মিছন ট্ৰাষ্টকে ধৰি কেইবাটাও গোটে সংখ্যালঘূ সম্প্ৰদায়ৰ মাজত বৰ্ধিত উদ্বিগ্নতা সন্দৰ্ভত পৃথককৈ প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰে। এই কাৰ্য্যসূচীত মহিলা তথা যুৱতীসকলেও অংশগ্ৰহণ কৰে। তেওঁলোকে এই সন্দৰ্ভত প্লে' কাৰ্ড প্ৰদৰ্শন কৰাৰ লগতে আইনী সুৰক্ষা আৰু ন্যায়ৰ দাবীৰে শ্লোগানো দিয়ে। উল্লেখযোগ্য যে, নাবালিকাসকলক অপহৰণ তথা ধৰ্মান্তৰকৰণৰ লগতে বলপূৰ্বক বিবাহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। এনেধৰণৰ ঘটনাসমূহে মানৱ অধিকাৰ খৰ্ব কৰে বুলি উল্লেখ কৰি মানৱ অধিকাৰ কৰ্মীসকলে ইয়াৰ বিৰুদ্ধে কঠোৰ আইন বলবৎ কৰাৰ বাবে দাবী উত্থাপন কৰে। প্ৰতিবাদকাৰীসকলে এই বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষক দাবী জনায়।

০০০০০

নেপালৰ জেন জি আন্দোলনত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালৰ সদস্যলৈ চৰকাৰী প্ৰতিষ্ঠানসমূহে নিয়োগৰ সুবিধা আগবঢ়াইছে। নেপাল বিদ্যুৎ প্ৰাধিকৰণে প্ৰকাশ কৰা এখন তালিকাত এনে ২৭ গৰাকী লোকক নিয়োগৰ সুবিধা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে, নেপাল চৰকাৰে ইতিমধ্যে নিহতসকলৰ পৰিয়ালৰ সদস্যলৈ ১৫ লাখ টকাৰ সাহায্য আগবঢ়াইছে।

০০০০০

ঝাৰখণ্ডৰ ৰাঁচীত কাইলৈ ষোড়শ হকী ইণ্ডিয়া ছাৰ জুনিয়ৰ মহিলাৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ-২০২৬ অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতা অহা ১২ এপ্ৰিললৈ চলিব। প্ৰতিযোগিতাৰ এ ডিভিজনত ১২ টা দলক চাৰিটা পুলত ভাগ কৰা হ'ব। নক-আউট খেলসমূহ ৯ এপ্ৰিলত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন ১২ এপ্ৰিলত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ সকলো খেল মৰাং গোমকে জয়পাল সিং এষ্ট্ৰটাৰ্ফ হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত